অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ
ASSAM JATIYA BIDYALAY EDUCATION COUNCIL
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati-781020
Ph. : 0361-2654229, 98642 02080, e-mail : ajbecghy@gmail.com, website : www.ajbec.com

প্ৰসংগ ঃ এজবেক/০৯/০৪/২০২৬-২৭ তাৰিখ ঃ ১৮-০৫-২০২৬
Ref : Date :

## অসম জাতীয় বিদ্যালয়ত সদৌ অসম আন্তঃজাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতা
## প্ৰথম স্থানত অসম জাতীয় বিদ্যালয়ৰ মৈত্ৰেয় আহোম

**নুনমাটি, গুৱাহাটী, ১৮ মে' ঃ** অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ উদ্যোগত আজি বিদ্যালয় চৌহদত সদৌ অসম আন্তঃজাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয়। তৰ্ক প্ৰতিযোগিতাৰ বিষয় আছিল, সদনৰ মতে, "ৰাজহুৱা খণ্ডৰ ব্যক্তিগতকৰণ হৈছে ভাৰতৰ অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰাৰ একমাত্ৰ উপায়" (Privatisation of public sector is the only way to accelerate India's economic growth)। এই তৰ্ক প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰে অসম জাতীয় বিদ্যালয়, নুনমাটিৰ মৈত্ৰেয় আহোমে। দ্বিতীয় পুৰস্কাৰ লাভ কৰে কামৰূপ (ম) ৰ নীলাচল জাতীয় বিদ্যালয়ৰ দৰ্শিতা বণিক্যই। আনহাতে তৰ্ক প্ৰতিযোগিতাখনত তৃতীয় পুৰস্কাৰ লাভ কৰে শিৱসাগৰ জিলাৰ আদৰ্শ জাতীয় বিদ্যালয়ৰ নিহাৰীকা বৰুৱাই। বিচাৰকৰ বিশেষ পুৰস্কাৰ লাভ কৰে বিশ্বনাথ জিলাৰ ভাস্কৰজ্যোতি আদৰ্শ বিদ্যাপীঠৰ কৃষ্ণালী বৰুৱা, শোণিতপুৰ জিলাৰ শংকৰদেৱ জাতীয় বিদ্যালয়ৰ ঋতুৰাজ বৰ্মন আৰু চৰাইদেউ জিলাৰ সাপেখাতী জাতীয় বিদ্যালয়ৰ প্ৰবাল দোলাকাষৰীয়াই।

প্ৰথম পুৰস্কাৰপ্ৰাপ্ত প্ৰতিযোগীগৰাকীলৈ ট্ৰফী, মান-পত্ৰ আৰু নগদ ১০,০০০ টকা আগবঢ়োৱা হয়। আনহাতে দ্বিতীয় আৰু তৃতীয় পুৰস্কাৰপ্ৰাপ্ত প্ৰতিযোগীলৈ ট্ৰফী, মান-পত্ৰ আৰু ক্ৰমে নগদ ৭,০০০ টকা আৰু ৫,০০০ টকা আগবঢ়োৱা হয়। বিচাৰকৰ বিশেষ পুৰস্কাৰ লাভ কৰা প্ৰতিযোগীসকললৈ নগদ ৩,০০০ টকা আৰু মান-পত্ৰ আগবঢ়োৱা হয়। সদৌ অসম আন্তঃজাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতাত প্ৰথম শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে শিৱসাগৰ জিলাৰ জ্যোতিষ্মান গগৈ আৰু নিহাৰীকা বৰুৱাই। দ্বিতীয় শ্ৰেষ্ঠ দলৰ পুৰস্কাৰ লাভ কৰে অসম জাতীয় বিদ্যালয়, কামৰূপ (ম)ৰ ৰাগিণী কাশ্যপ আৰু মৈত্ৰেয় আহোমে। উল্লেখযোগ্য যে এই প্ৰতিযোগিতাখনত ৰাজ্যখনৰ ২২ খন জিলাৰ মুঠ ৪৪ গৰাকী শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে।

প্ৰতিযোগিতাখনত সদনৰ অধ্যক্ষ হিচাপে উপস্থিত থাকে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা শান্তনু বৰঠাকুৰ। প্ৰতিযোগিতাখনত বিচাৰকৰ দায়িত্বত আছিল গুৱাহাটী বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপিকা ড° বিদুলা শৰ্মা, পশ্চিম গুৱাহাটী মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° জিন্তু গোহাঁই আৰু গিৰিজানন্দ চৌধুৰী বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপিকা ড° হিমামণি কলিতা।

অনুষ্ঠানৰ আৰম্ভণিতে সকলোকে উদ্দেশ্যি আদৰণি ভাষণ প্ৰদান কৰে অসম জাতীয় বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে। ভাষণ প্ৰসংগত অধ্যক্ষগৰাকীয়ে শিক্ষাৰ্থীৰ সামগ্ৰিক বিকাশৰ ক্ষেত্ৰত পুথিগত বিদ্যাৰ লগতে তৰ্ক, বাগ্মিতা আদি অন্যান্য বিষয়সমূহৰ প্ৰয়োজনীয়তাৰ কথা উল্লেখ কৰি এনেধৰণৰ প্ৰতিযোগিতাসমূহত শিক্ষাৰ্থীসকলক সক্ৰিয় অংশগ্ৰহণৰ বাবে আহ্বান জনায়। অনুষ্ঠানটোৰ আৰম্ভণি ঘোষণা কৰি এক চমু বক্তব্য আগবঢ়ায় এজবেকৰ সমন্বয়ক তথা বিদ্যালয়খনৰ সমাজ বিজ্ঞান বিভাগৰ জ্যেষ্ঠ শিক্ষক অসীম কৃষ্ণ বৰুৱাই। অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সচিব ডা° নাৰায়ণ শৰ্মাই ভাষণ প্ৰসংগত কয় যে এগৰাকী ভাল তাৰ্কিক বা বক্তা হ'বলৈ চাৰিটা 'C' অৰ্থাৎ confidence, communication, character building আৰু critical thinking থকা অতি দৰকাৰ। অসমৰ বিভিন্ন প্ৰান্তত থকা জাতীয় বিদ্যালয়সমূহৰ শিক্ষাৰ্থীসকলে যাতে ভৱিষ্যতে সমাজৰ বিভিন্ন ক্ষেত্ৰত নেতৃত্ব প্ৰদান কৰি সমাজখনক উচিত দিশত আগুৱাই লৈ যাব পাৰে তাৰ বাবেই অসম জাতীয় বিদ্যালয় শিক্ষা সংসদে এনেধৰণৰ প্ৰতিযোগিতাৰ আয়োজন কৰি আহিছে। তেওঁ তাৰ্কিকসকলৰ সক্ৰিয় অংশগ্ৰহণৰ বাবে তেওঁলোকক অভিনন্দন জ্ঞাপন কৰে।

তৰ্ক প্ৰতিযোগিতা অনুষ্ঠানটোৰ আঁত ধৰাৰ লগতে শেষত শলাগৰ শৰাই আগবঢ়ায় অসম জাতীয় বিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী অপৰ্ণা দেৱীয়ে। সদৌ অসম আন্তঃজাতীয় বিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ আহ্বায়কৰ দায়িত্বত আছিল অসম জাতীয় বিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী অপৰ্ণা দেৱী আৰু হিন্দী বিভাগৰ মুৰব্বী শিক্ষক ৰঘুনাথ কুমাৰ।

| (দিলীপ কুমাৰ দত্ত চৌধুৰী) | (ডা° নাৰায়ণ শৰ্মা) | (ঘনশ্যাম মেধি) | (অসীম কৃষ্ণ বৰুৱা) |
|---|---|---|---|
| সভাপতি | সচিব | অধ্যক্ষ | সমন্বয়ক |
| অজাবি শিক্ষা সংসদ | অজাবি শিক্ষা সংসদ | অসম জাতীয় বিদ্যালয় | অজাবি শিক্ষা সংসদ |